GAS S1 01

অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন

প্ৰথম ষাণ্মাসিক

ঐচ্ছিক অসমীয়া

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৮ আৰু ৯	ড° মীৰা বৈশ্য জাগীৰোড মহাবিদ্যালয়, জাগীৰোড
	ড° মৃণাল জ্যোতি গোস্বামী
১০, ১১, ১২ আৰু ১৩	ড° বিমল মজুমদাৰ গুৱাহাটী বিশ্ববিদ্যালয়
	ড° মৃণাল জ্যোতি গোস্বামী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৪ আৰু ১৫	ড° মৃণাল জ্যোতি গোস্বামী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° দিলীপ বৰা, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

আৰ্হি কাকত ঃ খনিন্দ্র নাথ ডেকা, দৈনিক অসম, গুৱাহাটী

প্রথম প্রকাশ ঃ জুন, ২০১৭; পুনৰ মুদ্রণ ঃ মার্চ, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **শংকৰোত্তৰ যুগৰ সাহিত্য — ১** **১২৫-১৩৭**
শংকৰোত্তৰ যুগৰ সাহিত্য ঃ চৰিত সাহিত্য, নাট্য সাহিত্য, কাব্য সাহিত্য

অধ্যায় ৯ ঃ **শংকৰোত্তৰ যুগৰ সাহিত্য — ২** **১৩৮-১৫০**
শংকৰোত্তৰ যুগৰ সাহিত্য ঃবুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, অন্যান্য সাহিত্য

অধ্যায় ১০ ঃ **প্রাক্-অৰুণোদয় যুগৰ সাহিত্য** **১৫১-১৬১**
প্রাক্-অৰুণোদয়কালীন সামাজিক পটভূমি, প্রাক্-অৰুণোদয় যুগৰ অসমীয়া সাহিত্য

অধ্যায় ১১ ঃ **অৰুণোদয় যুগৰ সাহিত্য** **১৬২-১৭৫**
অৰুণোদয় যুগৰ লেখকসকল ঃ অৰুণোদয় যুগৰ খ্রীষ্টিয়ান লেখকসকল, অৰুণোদয় যুগৰ অখ্রীষ্টিয়ান লেখকসকল; অসমীয়া ভাষা সাহিত্যলৈ *অৰুনোদই* তথা মিছনেৰীসকলৰ অৱদান

অধ্যায় ১২ ঃ **জোনাকী যুগৰ সাহিত্য — ১** **১৭৬-১৮৯**
জোনাকী যুগৰ পটভূমি আৰু বৈশিষ্ট্য; জোনাকী যুগৰ সাহিত্য ঃ কবিতা, চুটিগল্প

অধ্যায় ১৩ ঃ **জোনাকী যুগৰ সাহিত্য — ২** **১৯০-২০৬**
জোনাকী যুগৰ সাহিত্য ঃ উপন্যাস, নাটক, অন্যান্য সাহিত্য

অধ্যায় ১৪ ঃ **ৰামধেনু যুগৰ সাহিত্য — ১** **২০৭-২২২**
ৰামধেনু যুগৰ সাহিত্য ঃ কবিতা, উপন্যাস

অধ্যায় ১৫ ঃ **ৰামধেনু যুগৰ সাহিত্য — ২** **২২৩-২৩৮**
ৰামধেনু যুগৰ সাহিত্য ঃ নাটক, চুটিগল্প, অন্যান্য সাহিত্য

প্রসঙ্গ পুথি **২৩৯-২৪০**

খণ্ড পৰিচয় ঃ খণ্ড - ২

স্নাতক তথা প্ৰধান ঐচ্ছিক অসমীয়াৰ প্ৰথমখন পাঠ্যবিষয়ৰ এইটো দ্বিতীয় খণ্ড। এই খণ্ডটোতো আঠটা অধ্যায় আছে। অষ্টম আৰু নৱম অধ্যায়ত শংকৰদেৱ-মাধৱদেৱৰ তিৰোভাবৰ পিছৰ কালত ৰচিত সাহিত্যৰাজিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। শংকৰোত্তৰ যুগত সৃষ্টি হোৱা চৰিত সাহিত্য, নাট্য সাহিত্য আৰু কাব্য সাহিত্য সম্পৰ্কে অষ্টম অধ্যায়ত আৰু বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য আৰু অন্যান্য সাহিত্যৰাজিৰ বিষয়ে নৱম অধ্যায়ত বহলাই আলোচনা কৰা গৈছে। দশম অধ্যায়ৰ শিৰোনাম হ'ল 'প্ৰাক্-অৰুনোদয় যুগৰ সাহিত্য'। আমি সকলোৱে জানো যে ১৮২৬ চনত অসম দেশ ব্ৰিটিছৰ অধীন হোৱাৰ পাছত অসমীয়া সাহিত্যই সুঁতি সলাবলৈ আৰম্ভ কৰে। বিশেষকৈ ১৮৪৬ চনত *অৰুনোদই* কাকত প্ৰকাশ হোৱাৰে পৰা এই ধাৰা তীব্ৰ হৈ উঠে। কিন্তু মানৰ আক্ৰমণৰ পৰা *অৰুনোদই* কাকত প্ৰকাশ হোৱাৰ আগলৈকে ৰচিত সাহিত্যৰাজিৰ প্ৰাক্-অৰুনোদয় যুগৰ সাহিত্য বুলি সাহিত্য সমালোচকসকলে ঠাৱৰ কৰিছে। এই অধ্যায়টোত প্ৰাক্-অৰুনোদয়কালীন অসমীয়া সমাজৰ পটভূমি সম্পৰ্কে আলোকপাত কৰি সেই সময়ত কি কি সাহিত্য সৃষ্টি হৈছিল সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।

পাঠ্যবিষয়ৰ একাদশ অধ্যায়ৰ শিৰোনাম হ'ল অৰুণোদয় যুগৰ সাহিত্য। অৰুণোদয় যুগৰ ঐতিহাসিক পটভূমি সম্পৰ্কে ইতিমধ্যে দশম অধ্যায়ত আলোচনা কৰি অহাৰ বাবে এই অধ্যায়টোত পোনে পোনে আলোচা কালছোৱাত কোনে কোনে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াইছিল সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল। আলোচনাৰ সুবিধাৰ্থে খ্ৰীষ্টীয়ান আৰু অখ্ৰীষ্টীয়ান লেখক হিচাপে বিভাজন কৰি অধ্যায়টোত তেখেতসকলৰ কথা সন্নিৱিষ্ট কৰা হৈছে। লগতে অসমীয়া ভাষা সাহিত্যলৈ *অৰুনোদই* তথা মিছনেৰীসকলৰ অৱদান সম্পৰ্কেও কিছু কথা অলোকপাত কৰা হ'ল।

আপুনি নিশ্চয় জানে যে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকাৰ ধল সুমুৱাই আনিছিল ১৮৮৯ চনত প্ৰকাশ পোৱা *জোনাকী* কাকতখনে। এই কাকতখনক আধাৰ হিচাপে লৈয়েই সেই সময়ছোৱাত সৃষ্টি হ'ল গল্প, কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বিবিধ ধাৰা। আমাৰ পাঠ্যবিষয়ৰ দ্বাদশ আৰু ত্ৰয়োদশ অধ্যায়ত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল। দ্বাদশ অধ্যায়ত জোনাকী যুগৰ পটভূমি আৰু বৈশিষ্ট্য সম্পৰ্কে আলোকপাত কৰি কবিতা আৰু চুটিগল্পৰ সম্পৰ্কে আলোচনা কৰা হ'ল। ঠিক সেইদৰে নাটক, উপন্যাস আৰু অন্যান্য সাহিত্য সম্পৰ্কে আলোচনা কৰা হ'ল ত্ৰয়োদশ অধ্যায়ত।

পাঠ্যবিষয়খনৰ শেষৰ দুটা অধ্যায়ত জোনাকীৰ পৰৱৰ্তী ৰামধেনু যুগ সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰা হ'ল। ইয়াত চতুৰ্দশ অধ্যায়ত ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে চমুকৈ আলোকপাত কৰি কবিতা আৰু উপন্যাসৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল। পাঠ্যবিষয়ৰ শেষৰটো অধ্যায়ত ৰামধেনু যুগৰ অসমীয়া নাটক, চুটিগল্প আৰু অন্যান্য সাহিত্যৰাজি সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সন্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।